# এৰিষ্টটলৰ 'আকাৰ আৰু উপাদান'

( Form & Matter : Aristotle )

এৰিষ্টটলৰ অধিবিদ্যাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে আকাৰ আৰু উপাদান। তেওঁৰ সমগ্ৰ দৰ্শন আকাৰ আৰু উপাদানৰ ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। এৰিষ্টটলে আকাৰ আৰু উপাদানৰ জৰিয়তেই সমগ্ৰ দাৰ্শনিক বিষয় আলোচনা কৰিছে। এৰিষ্টটলৰ কাৰণ তত্ত্বত আছি — উপাদান কাৰণ, আকাৰিক কাৰণ, নিমিত্ত কাৰণ আৰু উদ্দেশ্য বা পৰিণাম কাৰণ নামৰ চাৰি প্ৰকাৰৰ (উপ) কাৰণ পাওঁ। ইয়াৰে শেষৰ তিনিটা কাৰণক তেওঁ একেটা শ্ৰেণীত ৰাখিছে; তেওঁৰ মতে 'নিমিত্ত' আৰু 'উদ্দেশ্য' কাৰণ আকাৰিক কাৰণৰ অন্তৰ্গত। গতিকে মূলত 'উপাদান' আৰু 'আকাৰ'হে মুখ্য কাৰণ।

এৰিষ্টটলৰ অধিবিদ্যাত উপাদানৰ দ্বাৰা কোনো মূৰ্ত বস্তুক নিৰ্দেশ কৰা নহয় আৰু 'আকাৰ' বুলিলে নিৰ্দিষ্ট 'আকৃতি' নুবুজায়। তেওঁৰ দৰ্শনত আকাৰ আৰু উপাদান দুটা আপেক্ষিক ধাৰণা আৰু ইহঁতক সেই ধৰণেৰে বুজিব আৰু আলোচিত হ'ব লাগিব।

এৰিষ্টটলৰ মতে আকাৰ আৰু উপাদান এটা আনটোৰ পৰা অবিচ্ছিন্ন। আমাৰ চিন্তাত ইহঁতক পৃথক কৈ জানিব পাৰি যদিও বাস্তৱত ইহঁতক পৃথক ভাবে পাব নোৱাৰি। আকাৰ বিহীন উপাদান অসম্ভৱ আৰু উপাদানহীন আকাৰ থাকিব নোৱাৰে।

আকাৰ হৈছে বস্তু এটাৰ সমস্ত গুণৰ সংগঠন; আনহাতে উপাদান হৈছে সেই গুণবোৰৰ আশ্ৰয়স্থল। উপাদানৰ নিজস্ব কোনো গুণ নাই, আকাৰেই উপাদানক বৈশিষ্ট প্ৰদান কৰি অৰ্থযুক্ত কৰি তোলে।

উপাদানৰ বিভাজন নাথাকে। উপাদানৰ বিভাজন সম্ভৱ হয় আকাৰৰ দ্বাৰা। অৰ্থাৎ আকাৰে উপাদানৰ বিভিন্ন বিভাজন সম্ভৱ কৰি তোলে।

এৰিষ্টটলৰ দৰ্শনত আকাৰ হৈছে বস্তুৰ সাৰধৰ্ম (essence)। আকাৰে ধাৰণা হিচাপে এটা শ্ৰেণীৰ বিভিন্ন বস্তুক প্ৰতিনিধিত্ব কৰে কিন্তু উপাদানে এটা শ্ৰেণীৰ অন্তৰ্গত বিশেষ বিশেষ বস্তু সমূহক প্ৰতিনিধিত্ব কৰিব নোৱাৰে।

আকাৰে বস্তুৰ অংশ সমূহৰ মাজত ঐক্য স্থাপন কৰিব পাৰে কিন্তু উপাদানে নোৱাৰে।

এনেদৰে দেখা যায় যে এৰিষ্টটলে আকাৰ আৰু উপাদানৰ সহায়ত দ্ৰব্য বা বস্তু সমূহ অৰ্থাৎ জগত ব্যাখ্যা কৰিব বিচাৰিছে। তেওঁৰ মতে জগতৰ বস্তুবোৰ বিশেষ পদ্ধতিত সজ্জিত। বস্তু সমূহৰ নিম্নস্তৰত পোৱা যায় 'আকাৰহীন উপাদান' আৰু উচ্চস্তৰত থাকে 'বিশুদ্ধ আকাৰ'। ইহঁত দুয়োটাৰ মাজত জগতৰ অন্য বস্তু বা জীৱ, উদ্ভিদ আদিৰ স্থান। এৰিষ্টটলে বিশুদ্ধ আকাৰক 'Actus Purus' বুলি কৈছে। তেওঁৰ মতে ঈশ্বৰেই Actus Purus.

— x —